SPM IAS ACADEMY
SHAPING BRILLIANCE



# GENERAL STUDIES—V

## ( Paper—6 )

*Full Marks* : 250

*Time* : 3 hours

---

### QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions***

There are **TWENTY** questions printed in **ENGLISH** and **ASSAMESE**.

**All** questions are compulsory.

The answers must be written in the medium or language (English/Assamese) of the candidate's choice. Answer should be written in the space as per the question provided. Multiple languages in the same answer scripts WILL NOT BE EVALUATED.

The number of marks carried by a question and word limit are indicated against it.

Keep the word limit indicated in the questions in mind.

Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.

---

SPM IAS ACADEMY
SHAPING BRILLIANCE

1. Explain the anthropogenic and environmental drivers of human-wildlife conflict in Assam. Suggest community-based strategies to mitigate the conflict. (Answer in *150* words) 7+3=10

অসমত মানৱ-বন্যপ্ৰাণী সংঘাতৰ মানৱসৃষ্ট আৰু পৰিৱেশগত কাৰকসমূহ ব্যাখ্যা কৰক। সংঘাত প্ৰশমনৰ বাবে সম্প্ৰদায়ভিত্তিক কৌশলসমূহৰ পৰামৰ্শ দিয়ক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

2. Explain the significance of eco-sensitive zones (ESZs) and animal corridors connecting Kaziranga National Park & Tiger Reserve to the Karbi Anglong Hills. (Answer in *150* words) 10

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলৰ পৰা কাৰ্বি আংলং পাহাৰলৈ সংযোগ কৰা পৰিৱেশ সংবেদনশীল অঞ্চলসমূহ আৰু জীৱ-জন্তুৰ অহা-যোৱা বাটসমূহৰ তাৎপৰ্য ব্যাখ্যা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

3. Solid waste management has emerged as a major environmental challenge in Assam. Discuss the management strategies for sustainable waste management. (Answer in *150* words) 10

অসমত গোটা আৱৰ্জনা ব্যৱস্থাপনা এটা গুৰুত্বপূৰ্ণ পৰিৱেশজনিত প্ৰত্যাহ্বান হিচাপে আহি পৰিছে। বহনক্ষম আৱৰ্জনা ব্যৱস্থাপনাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাপনা কৌশলবোৰ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

4. Discuss the 'rural-urban divide' in Assam's growth dynamics and its implications for achieving the Sustainable Development Goals (SDGs). (Answer in *150* words) 10

অসমৰ বিকাশ প্ৰক্ৰিয়া প্ৰসংগত 'গ্ৰাম্য-নগৰীয়া বিভাজন'ৰ বিষয়টো আৰু বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহ(SDGs)ত উপনীত হোৱাৰ ক্ষেত্ৰত এই বিভাজনৰ তাৎপৰ্য আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

5. Discuss the benefits that Assamese language has gained from its recognition as a classical language. (Answer in *150* words) 10

ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ ফলত অসমীয়া ভাষালৈ কি কি সুযোগ আহিল, আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

6. Review the Ahom policy towards the neighbouring hill tribes. (Answer in *150* words) 10

চুবুৰীয়া পাহাৰীয়া জনজাতিসকলৰ প্ৰতি আহোম স্বৰ্গদেউসকলে গ্ৰহণ কৰা নীতি পৰ্যালোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

7. Discuss the 'Paik' or 'Khel' system of Ahom administration. Can this system be considered as the foundation ground of the modern Panchayat? (Answer in *150* words) 10

আহোম শাসনকালৰ 'পাইক' বা 'খেল' ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক। এই ব্যৱস্থাক আধুনিক পঞ্চায়ত ব্যৱস্থাৰ ভেটি বুলি বিবেচনা কৰিব পৰা যায়নেকি? (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

8. Discuss the impact of the geography and ethnic diversity of Assam on its political and administrative systems. (Answer in *150* words) 10

অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় ব্যৱস্থাত ইয়াৰ ভূগোল আৰু জনগোষ্ঠীয় বৈচিত্ৰ্যৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

9. Discuss the duties and responsibilities of the Deputy Commissioner in a district under the Sixth Schedule Autonomous District Council areas of Assam. (Answer in *150* words) 10

অসমৰ ষষ্ঠ অনুসূচীৰ অধীনত স্বায়ত্তশাসিত জিলা পৰিষদ অঞ্চলৰ এখন জিলাৰ উপায়ুক্তৰ কৰ্তব্য আৰু দায়িত্ব সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

**10.** A private company proposes to establish a manufacturing unit in Assam. Two possible locations are available—one near a protected forest with transport facilities and another in a remote district with limited infrastructure. As a policy-maker, which location would you approve? Give reasons for your decision.
(Answer in *150* words) 10

এটা ব্যক্তিগত কোম্পানীয়ে অসমত এটা উৎপাদন গোট স্থাপন কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে। এই ক্ষেত্ৰত দুটা সম্ভাব্য স্থান উপলব্ধ—পৰিবহণৰ সুবিধা থকা সংৰক্ষিত বনাঞ্চলৰ ওচৰত এটা আৰু আনটো আছে সীমিত আন্তঃগাঁথনি থকা এখন পিছপৰা জিলাত। এগৰাকী নীতি-নিৰ্ধাৰক হিচাপে আপুনি কোনটো স্থানত অনুমোদন দিব? আপোনাৰ সিদ্ধান্তৰ সপক্ষে কাৰণ দৰ্শাওক। (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**11.** "Water resource management in Assam requires a paradigm shift from a narrow, flood-centric approach to a comprehensive, multi-sectoral water security strategy." Examine the key challenges and opportunities in managing Assam's water resources outside the monsoonal surge, focussing on dry season agricultural supply, drinking water quality, inland navigation, and aquatic ecosystems.
(Answer in *250* words) 15

"অসমত জলসম্পদ ব্যৱস্থাপনাৰ বাবে সংকীৰ্ণ, বান-কেন্দ্ৰিক দৃষ্টিভংগীৰ পৰা এক ব্যাপক, বহুখণ্ডীয় জল সুৰক্ষা কৌশললৈ এক দৃষ্টান্তমূলক পৰিৱৰ্তনৰ প্ৰয়োজন।" বাৰিষাৰ প্ৰবাহৰ বাহিৰেও অসমৰ জলসম্পদ ব্যৱস্থাপনাৰ মূল প্ৰত্যাহ্বান আৰু সুযোগসমূহ পৰীক্ষা কৰক, য'ত শুকান বতৰ কৃষি যোগান, খোৱা পানীৰ গুণগত মান, আভ্যন্তৰীণ নৌ-পৰিবহণ আৰু জলজ পৰিবেশতন্ত্ৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**12.** Integrated fish farming has significant potential for improving rural livelihoods and promoting sustainable agriculture in Assam. Discuss the advantages, challenges and strategies for its effective adoption in Assam.
(Answer in *250* words) 15

অসমত বহনক্ষম কৃষি সংবৰ্ধন আৰু গ্ৰাম্য জীৱিকা উন্নীতকৰণৰ বাবে সুসংহত মৎস পালনৰ বিশেষ সম্ভাৱনা আছে। অসমত ইয়াৰ ফলপ্ৰসূ গ্ৰহণৰ বাবে থকা সুবিধাবোৰ, প্ৰত্যাহ্বানবোৰ আৰু কৌশলবোৰ আলোচনা কৰক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**13.** Assam attracts negligible foreign direct investment (FDI) as compared to States like Maharashtra, Karnataka, Gujarat and Tamil Nadu. What macroeconomic and institutional barriers deter FDI in the State? Discuss.
(Answer in *250* words) 15

মহাৰাষ্ট্ৰ, কৰ্ণাটক, গুজৰাট আৰু তামিলনাডুৰ দৰে ৰাজ্যসমূহৰ তুলনাত অসমে নগণ্য পৰিমাণৰ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ লাভ কৰে। কেনেধৰণৰ সমষ্টিগত অৰ্থনৈতিক আৰু প্ৰতিষ্ঠানিক প্ৰতিবন্ধকতাই ৰাজ্যখনক এই প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ পৰা বঞ্চিত কৰিছে? আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**14.** Critically examine the factors that have constrained industrialization in Assam. Suggest measures how the State can move towards a more diversified, employment-intensive and export-oriented industrial economy.
(Answer in *250* words)
7+8=15

অসমত ঔদ্যোগীকৰণক বাধাপ্ৰাপ্ত কৰা কাৰকসমূহ সমালোচনা সহকাৰে পৰীক্ষা কৰক। এটি বৈচিত্ৰ্যপূৰ্ণ, নিয়োগ-গভীৰ আৰু ৰপ্তানিমুখী ঔদ্যোগিক অৰ্থনীতিৰ দিশত ৰাজ্যখন কেনেকৈ ধাবিত হ'ব পাৰে সেই সন্দৰ্ভত পৰামৰ্শ আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**15.** Discuss the social and cultural functions of Namghars in Assam.
(Answer in *250* words) 15

অসমৰ নামঘৰৰ সামাজিক আৰু সাংস্কৃতিক কাৰ্যাৱলী আলোচনা কৰক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

**16.** Analyze the factors responsible for awakening of national consciousness in Assam from the last part of the 19th century. (Answer in *250* words) 15

উনবিংশ শতিকাৰ শেষৰ ফালৰ পৰা অসমত জাগি উঠা ৰাষ্ট্ৰীয় সজাগতাৰ কাৰণসমূহ বিশ্লেষণ কৰক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**17.** What are the objectives of the Right to Information (RTI) Act, 2005 as laid down in its Preamble? Which categories of information are exempted from disclosure under the Act? (Answer in *250* words) 8+7=15

তথ্য জনাৰ অধিকাৰ (আৰ. টি. আই.) আইন, ২০০৫ৰ প্ৰস্তাৱনাত সন্নিৱিষ্ট কৰা ধৰণে আইনখনৰ উদ্দেশ্যবোৰ কি কি? কি শ্ৰেণীৰ তথ্যসমূহ এই আইনখনৰ অধীনত প্ৰকাশ কৰাৰ পৰা বিৰত ৰখা হৈছে?
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**18.** (a) What do you understand by 'social media'?
(b) What are its distinctive features?
(c) Give a brief account of its role in framing of public policy in the State.
(Answer in *250* words) 2+3+10=15

(ক) 'সামাজিক মাধ্যম' বুলিলে আপুনি কি বুজে?
(খ) ইয়াৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ কি কি?
(গ) ৰাজ্যত চৰকাৰী বা ৰাজহুৱা নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাৰ সন্দৰ্ভত এটা চমু টোকা আগবঢ়াওক।
(২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

**19.** What is the difference between species and habitat biodiversity? Discuss the factors which are responsible for the decline in the biodiversity of the State. (Answer in *250* words) 3+12=15

প্ৰজাতি আৰু বাসস্থান জৈৱ-বৈচিত্ৰ্যৰ মাজত কি পাৰ্থক্য আছে? ৰাজ্যত জৈৱ-বৈচিত্ৰ্য হ্ৰাস পাই অহাৰ ক্ষেত্ৰত দায়বদ্ধ কাৰকসমূহ আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

SPM IAS ACADEMY
SHAPING BRILLIANCE

**20.** "Economic growth does not automatically translate into poverty reduction." Evaluate this statement with reference to Assam. (Answer in *250* words) 15

"অৰ্থনৈতিক বিকাশ স্বয়ংক্ৰিয়ভাৱে দৰিদ্ৰতা হ্ৰাসকৰণলৈ পৰিণত নহয়।" অসমৰ প্ৰেক্ষাপটত এই উক্তিটো মূল্যায়ন কৰক। (২৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

★★★